**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 12**-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::::::::::::::::::::::::**

১। বিশ্বৰ ভালেসংখ্যক গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থা অনিশ্চয়তা আৰু অৰ্থনৈতিক প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সময়ত ভাৰতৰ উন্নয়ন গাথা বিশ্বৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ পৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। কেন্দ্ৰীয় চৰকাৰে উপসাগৰীয় অঞ্চলৰ পৰিৱৰ্তিত সামুদ্ৰিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় নাবিকসকলৰ সুৰক্ষাৰ বাবে পূৰ্ণ সতৰ্কতা অৱলম্বন কৰিছে।

৩। দেশত খেতিয়কসকলক তৈল বীজৰ খেতি সন্দৰ্ভত তথ্য প্ৰদানৰ উদ্দেশ্যে কিষাণ মিত্ৰ নামৰ হোৱাটছএপ আধাৰিত কৃত্ৰিম বুদ্ধিমত্তা পৰামৰ্শ সেৱা আৰম্ভ কৰা হৈছে।

৪। কৃষি তথা কৃষক কল্যাণ মন্ত্ৰালয়ে দেশত ২০২৫-২৬ বৰ্ষত প্ৰায় তিনি হাজাৰ ৭৭৮ লাখ টন উদ্যান শস্য উৎপাদন হ'ব বুলি  পূৰ্বানুমান কৰিছে।

*আৰু*

৪। মেক্সিকোত আটকধুনীয়া উদ্বোধনী অনুষ্ঠানেৰে যোৱা নিশা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা আৰম্ভ হয়।

০০০০

বিশ্বৰ ভালেসংখ্যক গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থা অনিশ্চয়তা আৰু অৰ্থনৈতিক প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সময়ত ভাৰতৰ উন্নয়ন গাথা বিশ্বৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ পৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত কালি নীতি আয়োগৰ পৰিচালনা পৰিষদৰ একাদশ বৈঠকত অধ্যক্ষতা কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে আত্মনিৰ্ভৰশীলতাৰ প্ৰতি ৰাষ্ট্ৰৰ সংকল্প অধিক সুদৃঢ় কৰাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। তেওঁ  বিশেষকৈ নৱীকৰণযোগ্য শক্তি খণ্ডত বিশ্বৰ বিভিন্ন দেশৰ শ্ৰেষ্ঠ প্ৰযুক্তি আৰু পদ্ধতি আকোৱালি লোৱাত গুৰুত্ব আৰোপ কৰে। শ্ৰী মোদীয়ে লগতে ৰাজ্যসমূহক এখন জিলা এবিধ সামগ্ৰী উদ্যমত গুৰুত্ব আৰোপ কৰিবলৈ আৰু এই সন্দৰ্ভত ৰপ্তানিমুখী ৰণনীতি যুগুতাই উলিয়াবলৈ আহ্বান জনায়।

০০০০

কেন্দ্ৰীয় চৰকাৰে উপসাগৰীয় অঞ্চলৰ পৰিৱৰ্তিত সামুদ্ৰিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় নাবিকসকলৰ সুৰক্ষাৰ বাবে পূৰ্ণ সতৰ্কতা অৱলম্বন কৰিছে। বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰা মতে জাহাজ চলাচল সঞ্চালকালয়ে সংঘৰ্ষ প্ৰভাৱিত জল পথেৰে অহা-যোৱা কৰা ভাৰত তথা আন ৰাষ্ট্ৰৰ ধ্বজাবাহী জাহাজত কৰ্মৰত সকলো ভাৰতীয় নাবিকক সৰ্বাধিক সতৰ্কতা অৱলম্বন কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। মন্ত্ৰালয়ে জাহাজ পৰিচালনাকাৰী, ব্যৱস্থাপক আৰু  খণ্ডটোৰ সৈতে জড়িত কোম্পানীসমূহক

সামুদ্ৰিক সৰক্ষা বিষয়ক নিয়মাৱলী কঠোৰভাৱে মানি চলিবলৈ, পৰিস্থিতিৰ তথ্য আহৰণ কৰিবলৈ আৰু চৰকাৰ তথা সংশ্লিষ্ট আন্তঃৰাষ্ট্ৰীয় কৰ্তৃপক্ষসমূহে জাৰি কৰা পৰামৰ্শৱলী অহৰহ নিৰীক্ষণ কৰিবলৈ কৈছে।

বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৈছে যে চৰকাৰে উপসাগৰীয় অঞ্চলৰ পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু প্ৰতিগৰাকী ভাৰতীয় নাবিৰকৰ সুৰক্ষা, নিৰাপত্তা আৰু কল্যাণৰ প্ৰতি ই সম্পূৰ্ণভাৱে প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয়, যে সংশ্লিষ্ট সকলো মন্ত্ৰালয়, সংস্থা আৰু বিদেশস্থিত মিছনসমূহে প্ৰয়োজন হ'লে সময়মতে সহায়-সাহায্য আগবঢ়াবলৈ ঘনিষ্ঠ সহযোগিতাৰে কাম কৰি আছে। নাবিক কল্যাণ নিধি সমিতি প্ৰভাবিত নাবিক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গলৈ আৱশ্যক অনুযায়ী বিত্তীয় আৰু অন্য সাহাৰ্য আগবঢ়াবলৈ সাজু বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। নাবিক কল্যাণ নিধি সমিতিক প্ৰতিগৰাকী মৃত নাবিকৰ পৰিয়াললৈ ১০ লাখ টকাকৈ এককালিন সাহায্য আগবঢ়াবলৈ নিৰ্দেশ দিয়া হৈছে। ইয়াৰ উপৰি সংশ্লষ্ট সকলো পক্ষকে ভাৰতীয় নাবিকৰ সৈতে জড়িত যিকোনো ঘটনাৰ বিষয়া জাহাজ চলাচল সঞ্চালকালয়ক ততালিকে অৱগত কৰিবলৈ কোৱা হৈছে। ভাৰতীয় নাবিক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গলৈ সহায় আগবঢ়োৱাৰ বাবে অহৰ্নিশে কাৰ্যক্ষম সুকীয়া যোগাযোগ তথা জৰুৰীকালীন সঁহাৰি ব্যৱস্থাৰ দিহা কৰা হৈছে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি দুদিনীয়া ভ্ৰমণসূচীৰে উত্তৰাখণ্ডলৈ যাব। এই ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে ডেৰাদুনৰ ভাৰতীয় সামৰিক একাডেমীৰ ১৫৮ সংখ্যক নিয়মীয়া পাঠ্যক্ৰম আৰু ১৪১ সংখ্যক কাৰিকৰী স্নাতক পাঠ্যক্ৰম সম্পূৰ্ণ কৰা সকলৰ দিক্ষান্ত কুচকাৱাজ পৰিদৰ্শন কৰিব।

০০০০

দেশত খাৰিফ শস্যৰ খেতি আৰম্ভ হোৱাৰ সময়তে খেতিয়কসকলক তৈল বীজৰ খেতি সন্দৰ্ভত তথ্য প্ৰদানৰ উদ্দেশ্যে কিষাণ মিত্ৰ নামৰ হোৱাটছএপ আধাৰিত কৃত্ৰিম বুদ্ধিমত্তা পৰামৰ্শ সেৱা আৰম্ভ কৰা হৈছে। এই সেৱাৰ জৰিয়তে ম'বাইল ফোন যোগে পোনপটীয়াকৈ তথ্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই সেৱাৰ অধীনত দেশৰ যিকোনো প্ৰান্তৰ খেতিয়কে হোৱাটছএপৰ মাধ্যমেৰে শস্য সম্পৰ্কীয় বিনামূলীয়া, বিশ্বাসযোগ্য আৰু তাৎক্ষণিক পৰামৰ্শ লাভ কৰিব পাৰিব। হোৱাটছএপত ৪০২৪৫ ৯৮১৮০ নম্বৰটো তৈলবীজ কিষাণ মিত্ৰ নামেৰে ছেভ কৰি যিকোনো ভাৰতীয় ভাষাত বাদাম, সৰিয়দ, তিল, সূৰ্যমুখী, ছয়াবিন, গুজিতিল আৰু অন্য তৈলবীজ সম্পৰ্কে প্ৰশ্ন সুধিব পাৰিব বুলি মন্ত্ৰালয়ে উল্লেখ কৰিছে। ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ হাইদৰাবাদস্থিত তৈলবীজ গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালকে এই পদক্ষেপক দেশৰ প্ৰতিগৰাকী কৃষকক সাঙুৰি সমূহীয়া গৱেষণাৰ প্ৰথম প্ৰয়াস বুলি অভিহিত কৰিছে।

০০০০

কৃষি তথা কৃষক কল্যাণ মন্ত্ৰালয়ে দেশত ২০২৫-২৬ বৰ্ষত প্ৰায় তিনি হাজাৰ ৭৭৮ লাখ টন উদ্যান শস্য উৎপাদন হ'ব বুলি পূৰ্বানুমান কৰিছে। এই পৰিমাণ ২০২৪-২৫ বৰ্ষৰ তুলনাত ৭০ লাখ ৩৯ হাজাৰ টন অধিক বুলি কোৱা হৈছে। কৃষি তথা কৃষক কল্যাণ মন্ত্ৰালয়ে জাৰি কৰা বিভিন্ন উদ্যান শস্যৰ খেতি কৰা ভূমি আৰু উৎপাদন সম্পৰ্কীয় দ্বিতীয় অগ্ৰিম পূৰ্বানুমান অনুসৰি দেশত ২০২৫-২৬ বৰ্ষত এনে শস্যৰ খেতি কৰা ভূমিৰ পৰিমাণ ৩০১ লাখ ৫১ হাজাৰ হেক্টৰলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। মন্ত্ৰালয়ে লগতে এই সময়ছোৱাত ফলমূল, শাক-পাচলি, ফুল আৰু সুগন্ধি তথা ঔষধি শস্যৰ উৎপাদন বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে জাৰি কৰা

দ্বিতীয় পূৰ্বানুমান অনুসৰি এই সময়ছোৱাত কল, আম, অমিতা, আপেল আৰু মধুৰিয়ামৰ উৎপাদন বৃদ্ধি পোৱাৰ ফলত ফল-মূলৰ উৎপাদন এহেজাৰ ২১৪ লাখ টনৰো অধিক হোৱাৰ সম্ভাৱনা আছে। ২০২৫-২৬ বৰ্ষত পিঁয়াজৰ উৎপাদন ৩০৭ লাখ টনলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি মন্ত্ৰালয়ে উল্লেখ কৰিছে। মন্ত্ৰালয়ৰ পূৰ্বানুমানত ২০২৫-২৬ বৰ্ষত ফুলৰ উৎপাদন ২৫ লাখ টনৰো অধিক হ'ব পাৰে বুলি কোৱা হৈছে।

০০০০

মেক্সিকোত আটকধুনীয়া উদ্বোধনী অনুষ্ঠানেৰে যোৱা নিশা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা আৰম্ভ হয়। এজ্‌টেকা ষ্টেডিয়ামক অনুষ্ঠিত উদ্বোধনী খেলত সহ আয়োজক দেশ মেক্সিকোৱে দক্ষিণ আফ্ৰিকাক ২-০ গ'লত পৰাস্ত কৰে। মেক্সিকোৰ হৈ জুলিয়ন কিউন'ঙ্গে খেলৰ ন মিনিটত গ'ল দি দলক অগ্ৰগতি প্ৰদান কৰে। পাছত ৰাউল জিমেনেজে ৬৭ মিনিটত দিয়া গলেৰে মেক্সিকোৱে ২-০ গ'লৰ অগ্ৰগতি লাভ কৰে।

ইয়াৰ পূৰ্বে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানক গোলকীয় সংগীত আৰু সংস্কৃতিৰ সমাহাৰ দেখিবলৈ পোৱা যায়। অনুষ্ঠানত ছাকিৰা আৰু ৰৰ্না বয়ে প্ৰতিযোগিতাৰ আনুষ্ঠানিক গীত দাই-দাই পৰিৱেশন কৰে। অনুষ্ঠানত মেক্সিকোৰ সংগীত জগতৰ আগশাৰীৰ শিল্পী এলেজাণ্ড্ৰ' ফাৰ্নানডেজ, লীলা ডাউনছ, বেলিণ্ডা আৰু অন্যান্যসকলে অনুষ্ঠান পৰিৱেশন কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ